

## নাগাৰা নাম পৰিশীলিত ৰূপত পৰিৱেশিত হ'ব লাগে ঃ সুভাষ বৰ্মন

### ঘগ্ৰাপাৰ বৰচেনিকুছিত মহিলা পাঠকৰ নাগাৰা নামত লোকাৰণ্য

**দৈনিক অসমৰ প্ৰতিনিধি**

**ঘগ্ৰাপাৰ, ২২ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ বৰচেনিকুছিৰ ৰাজহুৱা নামঘৰ প্ৰাংগণত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে কালি বিভিন্ন কাৰ্যসূচীৰ লগতে নাগাৰা ১৩ *পৃষ্ঠাত চাওক*

### ৰাজহুৱা স্থানত সুৰাপান

## মাকুম আৰক্ষীৰ জালত ৪ যুৱক

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাকুম, ২২ ছেপ্টেম্বৰ ঃ** ৰাজ্যত ঘটি থকা অপৰাধমূলক কাৰ্য ৰোধ কৰিবলৈ সক্ৰিয় হৈছে অসম আৰক্ষী। তাৰ সমান্তৰালভাৱে ৰাজহুৱা স্থানত মাদকদ্ৰব্য সেৱন কৰি পৰিৱেশ বিনষ্ট কৰাসকলৰ বিৰুদ্ধে কঠোৰ হৈছে আৰক্ষী। তিনিচুকীয়া চহৰৰ পাছতে মাকুম চহৰৰ ৰাজহুৱা ১৩ *পৃষ্ঠাত চাওক*

### গোসাঁইগাঁৱত আক্ৰাছুৰ গুৰুত্বপূৰ্ণ বৈঠক



## পুনৰ একত্ৰিত হ'ব আক্ৰাছুৰ দুই বিভাজিত গোট

**দৈনিক অসমৰ বাতৰি**

**গোসাঁইগাঁও, ২২ ছেপ্টেম্বৰ ঃ** বহুধা বিভক্ত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা, চমুকৈ আক্ৰাছুৰ দুটা গোটৰ মাজত আজি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। গোসাঁইগাঁৱৰ দলগাঁওস্থিত আক্ৰাছুৰ পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ কাৰ্যালয়ত অনুষ্ঠিত আলোচনাত আক্ৰাছুৰ কেশৱ গোট আৰু ১৩ *পৃষ্ঠাত চাওক*

### জনজাতিকৰণ-কমতাপুৰৰ দাবীত হ'ব জোৰদাৰ আন্দোলন



### ৰঙিয়াত মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নৰ সংবাদমেল

### মধ্যাহ্ন ভোজন ৰন্ধন কৰ্মীৰ মাননি ১০ হাজাৰলৈ বৃদ্ধিৰ দাবী

## ২৮ ছেপ্টেম্বৰত চচলত বিক্ষোভ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙিয়া, ২২ ছেপ্টেম্বৰ ঃ** সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নৰ কামৰূপ জিলা সমিতিয়ে তেওঁলোকৰ বিভিন্ন দাবীৰ সন্দৰ্ভত ৰঙিয়াত আজি এখন সংবাদমেল সম্বোধন কৰে। ৰঙিয়াৰ শ্ৰমিক ভৱনত অনুষ্ঠিত এই সংবাদমেলখন সম্বোধন কৰে সংগঠনটোৰ কামৰূপ জিলা সমিতিৰ সভানেত্ৰী লাৱণ্য ডেকা আৰু সম্পাদিকা মহিদা বেগমে। সংবাদমেলত নেত্ৰী দুগৰাকীয়ে কয় যে সমগ্ৰ দেশৰ লগতে অসমৰ ৰন্ধন কৰ্মীসকলেও বছৰৰ পাছত বছৰ ধৰি কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ বঞ্চনাৰ বলি হৈ ১৩ *পৃষ্ঠাত চাওক*

### শ'লমাৰীত খহনীয়াৰ ভয়ংকৰ ৰূপ ■ মথাউৰিৰ পৰা ব্ৰহ্মপুত্ৰৰ দূৰত্ব মাত্ৰ ১২ মিটাৰ

# জাহ যোৱাৰ উপক্ৰম বিশ্বনাথ ঘাট-পাণপুৰ মথাউৰি



**দৈনিক অসমৰ প্ৰতিনিধি**

**বিশ্বনাথ চাৰিআলি, ২২ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ, চতিয়া আৰু জামুগুৰিহাটৰ বাবে লাইখুঁটাস্বৰূপ বিশ্বনাথ ঘাট-পাণপুৰ মথাউৰি। সম্প্ৰতি এই মথাউৰিটোলৈ ভাবুকি কঢ়িয়াই আনিছে ব্ৰহ্মপুত্ৰৰ ভয়ংকৰ খহনীয়াই। নেৰানেপেৰা ১৩ *পৃষ্ঠাত চাওক*



### অতিশীঘ্ৰে বন্ধ নকৰিলে জংগী আন্দোলনৰ হুংকাৰ

## শিঙিমাৰীত সুৰাৰ বিপণীৰ বিৰুদ্ধে ক্ষুব্ধ জনতাৰ হাল্লাবোল




### আবকাৰী বিভাগৰ বিৰুদ্ধে ক্ষোভ ৰাইজৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**শুৱালকুছি, ২২ ছেপ্টেম্বৰ ঃ** কামৰূপৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত শিঙিমাৰী চ'কত গঢ়ি উঠা বৈধ আৰু অবৈধ সুৰাৰ ৰমৰমীয়া বেহাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত এতিয়া তীব্ৰ ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দীৰ্ঘদিন ধৰি অঞ্চলটোত চলি থকা অবৈধ সুৰাৰ বেহাৰ বাবে স্থানীয় ৰাইজ অতিষ্ঠ হৈ থকাৰ মাজতে এতিয়া পুনৰ নতুনকৈ এখন চৰকাৰী অনুজ্ঞাপত্ৰপ্ৰাপ্ত সুৰাৰ বিপণী ১৩ *পৃষ্ঠাত চাওক*

### শংকৰদেৱৰ ৫৭৮ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ

## পানীকৰা নামঘৰৰ ১২৫ বছৰীয়া জয়ন্তীৰ সামৰণি



**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰঙি, ২২ ছেপ্টেম্বৰ ঃ** মৰঙি মৌজাৰ পানীকৰা গাঁও সাংস্কৃতিক বিকাশ মঞ্চৰ উদ্যোগত, পানীকৰা গাঁও নামঘৰ পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজৰ ১৩ *পৃষ্ঠাত চাওক*

**স্মৰণিকা চন্দ্ৰতাপ উন্মোচন, ৭০ বয়োজ্যেষ্ঠক সম্বৰ্দ্ধনা, সদৌ অসম দিহানাম প্ৰতিযোগিতাত শ্ৰেষ্ঠ নগাঁৱৰ শিৰোমণি দল**

## তৰালি শৰ্মাক সংস্কৃতি সাধনা বঁটা প্ৰদান

### গোলাঘাটৰ নোগোৰাত শংকৰদেৱৰ জয়ন্তী পালন



**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**গোলাঘাট, ২২ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিশিষ্ট সংগীত শিল্পী তৰালী শৰ্মাক গোলাঘাটত সংস্কৃতি সাধনা বঁটা প্ৰদান কৰা হয়। কালি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮সংখ্যক জয়ন্তী উদ্‌যাপন উপলক্ষে আয়োজিত এটা বিশেষ অনুষ্ঠানত বিশিষ্ট সংগীত ১৩ *পৃষ্ঠাত চাওক*

## পদ্মশ্ৰী পখিলা লেকথেপী-তৰাৱতী মিলিলৈ আনন্দৰাম ঢেকিয়াল ফুকন বঁটা



**দৈনিক অসমৰ প্ৰতিনিধি/ বিশেষ প্ৰতিনিধি**

**নগাঁও, ২২ ছেপ্টেম্বৰ ঃ** মধ্য অসমৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান ঐতিহ্যমণ্ডিত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে বিগত বৰ্ষসমূহত আগবঢ়াই অহা 'আনন্দৰাম ঢেকিয়াল ফুকন বঁটা' এইবাৰ আগবঢ়াইছে অসমৰ দুগৰাকী বিশিষ্ট ১৩ *পৃষ্ঠাত চাওক*



### কাকীত বন্যহস্তীৰ উপদ্ৰৱ

## বহু লোকৰ বাসগৃহ লণ্ডভণ্ড

**দৈনিক অসমৰ প্ৰতিনিধি**

**লংকা, ২২ ছেপ্টেম্বৰ ঃ** কাকী লালমাটি লক্ষীপথাৰ গাঁৱত লামডিং সংৰক্ষিত বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা এটা বনৰীয়া হাতীৰ জাকে অঞ্চলটোত কালি নিশা উপদ্ৰৱ চলায়। গাঁওখনৰ ১০টা পৰিয়ালৰ ঘৰ-দুৱাৰ ভাঙি ১৩ *পৃষ্ঠাত চাওক*



## কোকৰাঝাৰত খেদি খেদি ধৰিলে তিনি গৰুচোৰক

**দৈনিক অসমৰ প্ৰতিনিধি**

**কোকৰাঝাৰ, ২২ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰামত আজি আৰক্ষীয়ে খেদি খেদি তিনিটা গৰু ১৩ *পৃষ্ঠাত চাওক*

## তিনিচুকীয়াত মহিলাৰ পৰা দুষ্টচক্ৰই লুটিলে সোণৰ চেইন

**দৈনিক অসমৰ প্ৰতিনিধি**

**তিনিচুকীয়া, ২২ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া চহৰ তথা ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত বিভিন্ন অপৰাধী চক্ৰৰ ১৩ *পৃষ্ঠাত চাওক*

### সোণতলীৰ সেলোসুঁতিত অগ্নিকাণ্ড

## ভস্মীভূত ৩টাকৈ বাসগৃহসহ ৮লক্ষাধিক টকাৰ সম্পত্তি



**দৈনিক অসমৰ প্ৰতিনিধি**

**সোণতলী, ২২ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত সোণতলী আৰক্ষী চকীৰ সমীপৱৰ্তী সেলোসুঁতি গাঁৱত আবেলি সময়ত এটা ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। পাকঘৰত ৰান্ধি থকা অৱস্থাতে হঠাতে জুইৰ সূত্ৰপাত ঘটি নিমিষতে সমগ্ৰ ঘৰটো জুইৰ লেলিহান শিখাই আৱৰি ধৰে। এই ভয়াৱহ ১৩ *পৃষ্ঠাত চাওক*

### কলিয়াবৰত 'জাফা'ৰ বিশেষ সাংগঠনিক সভা সম্পন্ন



## সুস্থ সাংবাদিকতা সমাজৰ বাবে কাম্য ঃ মণিমাধৱ মহন্ত

**দৈনিক অসমৰ প্ৰতিনিধি**

**কলিয়াবৰ, ২২ ছেপ্টেম্বৰ ঃ** আজিৰ সাংবাদিকতাৰ পৰিস্থিতি অতি ভয়াৱহ আৰু সকলোৰে নজৰ এতিয়া সাংবাদিকৰ ওপৰত আছে। সাংবাদিকতাৰ ভাঙোন বাঢ়ি গৈ থাকিলে আমি নিশকতীয়া হৈ গৈ থাকিম। গতিকে সাৱধান হোৱাৰ সময় আহি পৰিছে।— এই বিস্ফোৰক মন্তব্য 'অসমীয়া প্ৰতিদিন' কাকতৰ সহযোগী সম্পাদক প্ৰকাশ মহন্তৰ। আজি কলিয়াবৰত অনুষ্ঠিত 'জাৰ্নেলিষ্ট এছ'চিয়েচন ফৰ আছাম' (জাফা)ৰ ১৩ *পৃষ্ঠাত চাওক*


পঞ্জাব নেচনেল বেংক
punjab national bank
...the name you can BANK upon !

সম্পত্তি পুনৰুদ্ধাৰ ব্যৱস্থাপনা শাখা(এআৰএমবি), গুৱাহাটী (৮২৩১০০)
প্ৰথম মহলা, মাণ্ডলিক কাৰ্যালয়, হেম বৰুৱা পথ, পাণবজাৰ, গুৱাহাটী-৭৮১০০১ (অসম), cs8231@pnb.bank.in

দিনাংকঃ ২২-০৯-২০২৬
ই-নিলাম বিক্ৰী জাননী
স্থাবৰ/অস্থাবৰ সম্পত্তিৰ বিক্ৰীৰ বাবে

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলবৎকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (বলবৎকৰণ) নিয়মাবলী ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত অস্থাৱৰ/স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা জনসাধাৰণক সাধাৰণভাৱে আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক)/বন্ধকদাৰ(সকলক)ক জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তিসমূহৰ বেংক/চিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা নিৰ্মাণমূলক/কায়িক/প্ৰতীকী অধিগ্ৰহণ কৰা হৈছে আৰু সংশ্লিষ্ট ঋণী (সকল) আৰু জামিনদাৰ (সকল)ৰ পৰা বেংক/চিকিউৰ্ড ক্ৰেডীটৰৰ বকেয়া ধন পুনৰ আদায়ৰ বাবে "য'ত আছে ততে", "যি আছে সেই" আৰু "যেনে আছে তেনেহ" নিম্ন তালিকাত উল্লিখিত তাৰিখত বিক্ৰী কৰা হ'ব। প্ৰতিটো সম্পত্তিৰ বাবে সংৰক্ষিত মূল্য আৰু আমানত ধন জমাৰ পৰিমাণ তলত উল্লেখ কৰা তালিকা মতে হ'ব।

সুৰক্ষিত সম্পদসমূহৰ সূচী

| লট নং | শাখাৰ নাম<br>একাউণ্টৰ নাম<br>ঋণী আৰু জামিনদাৰৰ নাম আৰু ঠিকনা | বন্ধকী থকা স্থাৱৰ সম্পত্তিৰ বিৱৰণ/গৰাকীৰ নাম (সম্পত্তি সমূহৰ বন্ধকদাতা) | ক) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(২) ৰ অধীনত দাবী জাননীৰ তাৰিখ<br>খ) পাবলগীয়া ধন<br>গ) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(৪) ৰ অধীনত দখলীকৰণৰ তাৰিখ<br>ঘ)দখলীকৰণৰ ধৰণ ঃ প্ৰতীকী/কায়িক/নিৰ্মাণমূলক | ক) সংৰক্ষিত মূল্য (টকা লাখত)<br>খ)ই এম ডি(ইএমডি জমা দিয়াৰ শেষ তাৰিখ)<br>গ) ডাক বৃদ্ধিৰ পৰিমাণ | ই-নিলামৰ তাৰিখ/সময় | চিকিউৰ্ড ক্ৰেডিটৰৰ জ্ঞাত দায়বদ্ধতাৰ বিৱৰণ |
|---|---|---|---|---|---|---|
| ১ | এআৰএমবি গুৱাহাটী<br>শ্ৰী অংকিত আগৰৱাল আৰু শ্ৰীমতী ৰেণু আগৰৱাল<br>১. শ্ৰী অংকিত আগৰৱাল পিতা প্ৰদীপ আগৰৱাল ঠিকনাঃ আৰ্য স্মাৰ্ট লিভিংত ভিলা নং ডি-৫৬, ৰাজহ গাঁও অভয়পুৰ, চক্ৰ-উত্তৰ গুৱাহাটী, মৌজা-শিলা-সিন্দুৰীঘোপা, জিলাঃ কামৰূপ, অসম,৭৮১০৩০ ই-মেইল-ankitagarwal4u@gmail.com<br>২. ৰেণু আগৰৱাল স্বামী প্ৰদীপ আগৰৱাল, ঠিকনাঃ আৰ্য স্মাৰ্ট লিভিংত ভিলা নং ডি-৫৬, ৰাজহ গাঁও অভয়পুৰ, চক্ৰ-উত্তৰ গুৱাহাটী, মৌজা-শিলা-সিন্দুৰীঘোপা, জিলাঃ কামৰূপ, অসম,৭৮১০৩০<br>৩. শ্ৰীমতী ৰেণু আগৰৱাল ৫ম মহলা মাৰুতি মেনছন এছ.জে. ৰোড, বাল্টি কাৰখানা গলি আঠগাঁও কামৰূপ মহানগৰ, গুৱাহাটী- ৭৮১০০১<br>৪. শ্ৰী অংকিত আগৰৱাল ১ম মহলা কালীমন্দিৰ পথ, জাগৰণৰ ওচৰত ৰিহাবাৰী ৰিহাবাৰী কামৰূপ মহানগৰ গুৱাহাটী- ৭৮১০০৮ ই-মেইলঃ ankitagarwal4u@gmail.com | আৰ্য স্মাৰ্ট লিভিংত অৱস্থিত ভিলা নং ডি-৫৬, মুঠ প্ৰায় ২৩৫০ বৰ্গফুট নিৰ্মাণাধীন ক্ষেত্ৰফলৰ এটা আৱাসিক এপাৰ্টমেণ্ট/ভিলা হিচাপে গঠিত সকলো অংশ আৰু খণ্ড, কামৰূপ, অসমৰ শিলা সিন্দুৰীঘোপা মৌজাৰ অন্তৰ্গত উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ ৰাজহ গাঁও অভয়পুৰ (উত্তৰ গুৱাহাটী)ত কে.পি. পট্টা নং ১৯৮(পুৰণি)/১১১৩(নতুন), ১১১২(নতুন)ৰ দাগ নং ৮৮৪(পুৰণি)/১৩৪০(নতুন), ৮৯০(পুৰণি)/১৩৩৯(নতুন), ৮৮৫, ৮৮৯ আৰু ৮৯০ৰ অন্তৰ্গত ১৯ বিঘা, ৪ লেচা পৰিমাণৰ ভূমিৰ ওপৰত অৱস্থিত, লগতে ৰাজহ গাঁও অভয়পুৰ (উত্তৰ গুৱাহাটী), উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ, শিলা সিন্দুৰীঘোপা মৌজা, জিলা-কামৰূপ, অসমত কে.পি. পট্টা ১১১৩ৰ দাগ নং ১৩৪০ৰ অন্তৰ্গত ৮.২৪ লেচা (১.০৭ আৰ), (১১৮৭ বৰ্গফুট) পৰিমাণৰ ভূমিৰ সমানুপাতিক অংশসহ, লগতে ২(দুই)টা গাড়ী পাৰ্কিং স্থান, যাৰ ভিতৰত এটা অট্টালিকাৰ ভূমিত আৰু আনটো ভিলাৰ ঠিক সন্মুখত অৱস্থিত গাড়ী পাৰ্কিং স্থান। ভিলাখনৰ চাৰিসীমাঃ উত্তৰঃ ভিলা নং ডি-৫৫, দক্ষিণঃ ভিলা নং ডি-৫৭, পূবঃ আভ্যন্তৰীণ পথ, পশ্চিমঃ ভিলা নং ডি-৫৩ বিক্ৰী দলিল নং. ২৪৬১/২৪৩৪, তাৰিখ ০৪.০৪.২০২৩, অংকিত আগৰৱালৰ নামত | ক) ০৫.০৫.২০২৬<br>খ)২৯.১২.২০২৫ তাৰিখলৈ ৭৮,৯৩,৫৯৫.৮০ টকা, ইয়াৰ লগতে ৩০.১২.২০২৫ তাৰিখৰ পৰা প্ৰযোজ্য অধিক সুত আৰু ইয়াৰ ওপৰত অন্যান্য মাচুল<br>গ) ১৫.০৭.২০২৬<br>ঘ) প্ৰতীকী দখল | ক) ৯১,৮১,৮০০.০০ টকা<br>খ) ৯,১৮,১৮০.০০ টকা (১২.১০.২০২৬ তাৰিখ বিয়লি ৪ বজালৈ)<br>গ) ০.৫০ লাখ টকা | তাৰিখঃ ১৩.১০.২০২৬ সময়ঃ পুৱা ১১:০০ বজাৰ পৰা বিয়লি ০৪:০০ বজালৈ | বেংকৰ জ্ঞাত নহয় |

ই-নিলাম বিক্ৰীৰ নিয়ম আৰু চৰ্তাৱলী

বিক্ৰী প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) নিয়মাবলী, ২০০২ৰ অধীনত উল্লেখিত নিয়মসমূহ আৰু তলত দিয়া অতিৰিক্ত চৰ্তাৱলীসমূহৰ ওপৰত ভিত্তি কৰি কৰা হ'ব -

১. সম্পত্তিসমূহ **"য'ত আছে ততে", "যি আছে সেই" আৰু "যেনে আছে তেনে"** এই ভিত্তিত বিক্ৰী কৰা হ'ব।

২. ওপৰত উল্লেখিত অনুসূচীত দিয়া সুৰক্ষিত সম্পত্তিসমূহৰ বিৱৰণ অনুমোদিত বিষয়া জনে তেওঁৰ উপলব্ধ সৰ্বোচ্চ তথ্যৰ আধাৰত উল্লেখ কৰিছে, কিন্তু কোনো ভুল, ভুল বিৱৰণ বা বাদ পৰাৰ বাবে অনুমোদিত বিষয়া জন দায়ী নহ'ব।

৩. **বিক্ৰীটো নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা https://baanknet.com ৱেবছাইটত ই-নিলাম প্লেটফৰ্মৰ মাধ্যমেৰে ১৩.১০.২০২৬ তাৰিখে পুৱা ১১.০০ বজাৰ পৰা বিয়লি ০৪.০০ বজালৈ সম্পন্ন কৰা হ'ব।**

৪. **বিক্ৰী সংক্ৰান্তীয় সম্পূৰ্ণ নিয়ম আৰু চৰ্তাৱলীসমূহ, জানিবলৈ অনুগ্ৰহ কৰি https://baanknet.com ৱেবছাইটটো চাওক।**

৫. অনুমোদিত বিষয়া বা বেংকে সম্পত্তিসমূহৰ ওপৰত থকা যিকোনো চৰকাৰী দাবী, কৰ, লিয়েন, বন্ধক, বা আন কোনো অজ্ঞাত দাবীৰ বাবে দায়ী নহ'ব। নিলামত অংশগ্ৰহণ কৰিব ইচ্ছুক বিডাৰে সম্পত্তিৰ ওপৰত থকা সকলো সম্ভাব্য দায়বদ্ধতা, কৰ, বিদ্যুৎ বিল আদি বিষয়ে নিজে অনুসন্ধান কৰিব লাগিব।

৬. অনুমোদিত বিষয়া জনে যিকোনো বিড গ্ৰহণ বা প্ৰত্যাখ্যান কৰিবলৈ, নিলাম স্থগিত, বাতিল, পুনঃনিৰ্ধাৰণ বা চৰ্তাৱলী পৰিবৰ্তন কৰিবলৈ সম্পূৰ্ণ অধিকাৰ ৰাখে আৰু এই সম্পৰ্কে তেওঁৰ সিদ্ধান্ত চূড়ান্ত হ'ব।

৭. নিলামত অংশগ্ৰহণকাৰী বিডাৰে বিড জমা কৰাৰ আগতে সম্পত্তিখিনি নিজে পৰিদৰ্শন কৰি সন্তুষ্ট হ'ব লাগিব। সম্পত্তি পৰিদৰ্শনৰ বাবে বিডাৰে দায়িত্বপ্ৰাপ্ত বেংক কৰ্মচাৰীৰ সৈতে যোগাযোগ কৰিব লাগিব।

**তাৰিখ ঃ ২২.০৯.২০২৬, স্থান ঃ গুৱাহাটী**

**অনুমোদিত বিষয়া, পাঞ্জাব নেচনেল বেংক, ছিকিউৰ্ড ক্ৰেডিটৰ**